**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 04-01-2026
**Time:** 13-40 Hrs

***Assamese Midday Bulletin***
***Headlines***

**::::::::::::::::::::::::::::::::::::::::**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বাৰানসীত আৰম্ভ হোৱা ৭২ সংখ্যক ৰাষ্ট্ৰীয় ভলীবল প্ৰতিযোগিতা আজি ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে উদ্বোধন কৰে।

২। কেন্দ্ৰীয় গ্ৰাম্য উন্নয়ন মন্ত্ৰী শিৱৰাজ সিং চৌহানে কৈছে যে পৰ্যাপ্ত বাজেট থকাৰ পাছতো এম জি এনৰেগাই কোনো ধৰণৰ স্থায়ী কাম কৰিবলৈ বা গাঁৱসমূহৰ দীৰ্ঘম্যাদি বিকাশ সাধন কৰিবলৈ সমৰ্থ হোৱা নাছিল।

৩। ভেনিজুৱেলাৰ সৰ্বোচ্চ ন্যায়ালয়ে দেশখনৰ উপৰাষ্ট্ৰপতি ডেলচি ৰড্ৰিগুৱেজক ভাৰপ্ৰাপ্ত ৰাষ্ট্ৰপতিৰ দায়িত্ব ল'বলৈ নিৰ্দেশ দিছে। কাইলৈ ভেনিজুৱেলা সন্দৰ্ভত ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদৰ জৰুৰী বৈঠক অনুষ্ঠিত হ'ব। ***আৰু***

৪। ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ ১৯ বছৰৰ অনুৰ্ধৰ তিনিখনীয়া এদিনীয়া ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেলত ভাৰত ২৫ ৰানত বিজয়ী।

০০০০

২০৩৬ চনত অলিম্পিক গেমছ অনুষ্ঠিত কৰিবলৈ ভাৰতে শক্তিশালী দাবী আগবঢ়াব। বাৰানসীত অনুষ্ঠিত ৭২ সংখ্যক ৰাষ্ট্ৰীয় ভলীবল প্ৰতিযোগিতা উদ্বোধন কৰি আজি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এইদৰে কয়। ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে দিয়া ভাষণত শ্ৰীমোদীয়ে কয় যে ২০১৪ চনৰ পাছত ক্ৰীড়াৰ বিভিন্ন ক্ষেত্ৰত ভাৰতীয় খেলুৱৈসকলৰ প্ৰদৰ্শন চকুত লগাকৈ উন্নত হৈছে। তেওঁ কয়, যে খেলপথাৰত যেতিয়া তৰুণ প্ৰজন্মই ত্ৰিৰংগ পতাকা উৰুৱাই, তেতিয়া সমগ্ৰ দেশে গৌৰৱ অনুভৱ কৰে। প্ৰত্যেকগৰাকী লোকৰে নিজৰ ভূমিকা, দায়িত্ব আছে বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে নিজৰ দায়িত্ব নিষ্ঠাৰে পালন কৰিলেহে সাফল্য লাভ কৰিব পাৰি। দেশ এতিয়া সেই পথেৰে আগবাঢ়িছে বুলিও শ্ৰীমোদীয়ে প্ৰকাশ কৰে।

বাইট

এই প্ৰতিযোগিতা বাৰানসীৰ ড° সম্পূৰ্ণানন্দ ক্ৰীড়া ষ্টেডিয়ামত আজিৰে পৰা ১১ জানুৱাৰীলৈকে অনুষ্ঠিত হ'ব। এইবাৰৰ প্ৰতিযোগিতাত পুৰুষ আৰু মহিলাৰ ৭৩ টা দলৰ এহেজাৰৰো অধিক খেলুৱৈয়ে অংশগ্ৰহণ কৰিব।

০০০০

কেন্দ্ৰীয় গ্ৰাম্য উন্নয়ন মন্ত্ৰী শিৱৰাজ সিং চৌহানে কৈছে যে এম জি এনৰেগা আঁচনিখন দুৰ্নীতিৰ প্ৰতীক হৈ উঠিছিল। এই আঁচনিখনত শ্ৰমিকসকলক একাষৰীয়া কৰি ৰখা হৈছিল বুলিও নতুন দিল্লীৰ এখন সংবাদমেলত তেওঁ প্ৰকাশ কৰে। শ্ৰীচৌহানে অভিযোগ কৰে যে কংগ্ৰেছে নতুন বিকশিত ভাৰত নিয়োগ আৰু জীৱিকা নিশ্চিতি অভিযান গ্ৰামীন, জি ৰাম জি আইনৰ বিষয়ে জনসাধাৰণক উদ্দেশ্য প্ৰণোদিতভাৱে বিভ্ৰান্ত কৰিবলৈ চেষ্টা কৰিছে।

বাইট

মন্ত্ৰীগৰাকীয়ে লগতে কয় যে পৰ্যাপ্ত বাজেট থকাৰ পাছতো এম জি এনৰেগাই কোনো ধৰণৰ স্থায়ী কাম কৰিবলৈ বা গাঁৱসমূহৰ দীৰ্ঘম্যাদি বিকাশ সাধন কৰিবলৈ সমৰ্থ হোৱা নাছিল। নতুন জি ৰাম জি আইনে

শ্ৰমিকসকলৰ স্বাৰ্থ সুৰক্ষিত কৰিব পাৰিব বুলি তেওঁ দাবী কৰে। নতুন আইনখনত থকা বৰ্ধিত মাননী, নিবনুৱা ভাট্টা, পলমকৈ দিয়া মাননীৰ সুত প্ৰদান আৰু ১২৫ দিনৰ কামৰ নিশ্চিতিয়ে কেৱল শ্ৰমিকসকলৰ উপকাৰ সাধনেই নকৰে, বৰং তেওঁলোকৰ গাওঁসমূহৰ প্ৰতিও ফলপ্ৰসু অৱদান আগবঢ়াব।

০০০০

কেন্দ্ৰীয় মন্ত্ৰী ড° জিতেন্দ্ৰ সিঙে বান বিধবস্ত কাঠোৱাৰ পুনৰ নিৰ্মাণ আৰু অন্যান্য ক্ষয়-ক্ষতিৰ বাবে নিৰ্ধাৰিত পুঁজিৰ পৰ্যালোচনা কৰে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয়, যে জম্মু-কাশ্মীৰৰ বিভিন্ন ৰাজহুৱা সম্পত্তিৰ পুনৰ নিৰ্মাণ অন্যান্য নিৰ্মাণৰ বাবে কেন্দ্ৰই ১৪ শ কোটিতকৈও অধিক ধন আৱণ্টন কৰিছে। মন্ত্ৰীগৰাকীয়ে লগতে কয়, যে ইয়াৰে ১০ কোটি টকা কাঠোৱাৰ অস্থায়ী নিৰ্মাণৰ বাবে আৰু ২ কোটিতকৈও অধিক ধন অন্যান্য ক্ষয়ক্ষতিৰ বাবে নিৰ্ধাৰণ কৰা হৈছে।

০০০০

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে অহা দুদিনলৈ দিল্লী, হাৰিয়ানা, চণ্ডীগড়, পঞ্জাব, উত্তৰ প্ৰদেশ, বিহাৰ আৰু ওড়িশাত অতি ঘন কুঁৱলীৰ বাবে অৰেঞ্জ এলাৰ্ট জাৰি কৰিছে। তদুপৰি আগন্তুক ৩ দিনলৈ পাঞ্জাৱ, হাৰিয়ানা, চণ্ডীগড় আৰু দিল্লীত শীতপ্ৰবাহ অব্যাহত থাকিব বুলি প্ৰকাশ কৰিছে। ইয়াৰ উপৰিও উত্তৰ-পূব ভাৰত পশ্চিমবংগৰ কেতবোৰ অঞ্চল, ঝাৰখণ্ড, জম্মু আৰু ছত্তিশগড়ত অহা দুদিনলৈ ঘন কুঁৱলী আৰু শীতপ্ৰবাহ অব্যাহত থকাৰ সম্ভাৱনা প্ৰকাশ কৰিছে।

০০০০

ভেনিজুৱেলাৰ সৰ্বোচ্চ ন্যায়ালয়ৰ সাংবিধানিক শাখাই দেশখনৰ উপৰাষ্ট্ৰপতি ডেলচি ৰড্ৰিগুৱেজক ভাৰপ্ৰাপ্ত ৰাষ্ট্ৰপতিৰ দায়িত্ব ল'বলৈ নিৰ্দেশ দিছে। আমেৰিকা যুক্তৰাষ্ট্ৰৰ সেনা বাহিনীয়ে চলোৱা অভিযানত ৰাষ্ট্ৰপতি নিক'লাচ মাদুৰোক আটক কৰি নিয়াৰ পাছতে এই সিদ্ধান্ত লোৱা হয়। ন্যায়ালয়ে কয় যে দেশখনৰ সামগ্ৰিক প্ৰতিৰক্ষাৰ লগতে প্ৰশাসনিক ধাৰাবাহিকতা ৰক্ষা কৰাৰ বাবে ৰড্ৰিগুৱেজক ৰাষ্ট্ৰপতিৰ দায়িত্ব অৰ্পন কৰা হৈছে।

০০০০

ভেনিজুৱেলাত আমেৰিকা যুক্তৰাষ্ট্ৰৰ সামৰিক অভিযান সন্দৰ্ভত আলোচনাৰ বাবে কাইলৈ ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদৰ এখন জৰুৰী বৈঠক অনুষ্ঠিত হ'ব। নিৰাপত্তা পৰিষদৰ অস্থায়ী সদস্য কলম্বিয়াই আগবঢ়োৱা প্ৰস্তাৱৰ ভিত্তিতে এই বৈঠকৰ আয়োজন কৰা হৈছে। কলম্বিয়াৰ প্ৰস্তাৱক পৰিষদৰ স্থায়ী সদস্য চীন আৰু ৰাছিয়াই সমৰ্থন কৰে। আনহাতে, ৰাষ্ট্ৰসংঘত থকা ভেনিজুৱেলাৰ স্থায়ী প্ৰতিনিধিয়ে আমেৰিকাৰ অভিযানক গৰিহনা দি এই সন্দৰ্ভত জৰুৰী অধিবেশন বিচাৰি নিৰাপত্তা পৰিষদলৈ পত্ৰ প্ৰেৰণ কৰিছে।

০০০০

ভেনিজুৱেলাৰ শেহতীয়া ঘটনাক্ৰমৰ পৰিপ্ৰেক্ষিতত দেশখনত থকা ভাৰতীয়সকলৰ প্ৰতি ভাৰতৰ বিদেশ পৰিক্ৰমা মন্ত্ৰালয়ে কেতবোৰ উপদেশমূলক নিৰ্দেশনা জাৰি কৰিছে। সেই অনুসৰি প্ৰৱাসী ভাৰতীয়সকলক সৰ্বোচ্চ সতৰ্কতা অৱলম্বন কৰিবলৈ আহ্বান জনোৱাৰ লগতে দৈনন্দিন যাতায়াত সীমিত কৰিবলৈ কোৱা হৈছে। তদুপৰি যিকোনো পৰিস্থিতিত ভেনিজুৱেলাত থকা ভাৰতীয় দূতাবাসৰ সৈতে যোগাযোগ কৰিবলৈও ভেনিজুৱেলাবাসী ভাৰতীয়সকলক আহ্বান জনোৱা হৈছে।

০০০০

বাংলাদেশ হিন্দু বৌদ্ধ খ্ৰীষ্টান একতা পৰিষদৰ নেতাসকলে দেশখনৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী আৰু বি. এন. পিৰ অধ্যক্ষ বেগম খালিদা জিয়াৰ মৃত্যুত শোকপ্ৰকাশ কৰি কালি ঢাকাস্থিত বি. এন. পি. দলৰ গুলশান কাৰ্যালয়ত কাৰ্যকৰী অধ্যক্ষ তাৰিক ৰহমানক সাক্ষাৎ কৰে। বৈঠকত সংখ্যালঘু নেতাসকলে খালিদা জিয়াক দেশৰ গণতান্ত্ৰিক আন্দোলনত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰা বাবে

এগৰাকী শক্তিশালী আৰু আপোচহীন নেতা বুলি উল্লেখ কৰে। খালিদা জিয়াৰ মৃত্যু বাংলাদেশৰ বাবে বৃহৎ ক্ষতি বুলিও তেওঁলোকে প্ৰকাশ কৰে।

বৈঠকত বাংলাদেশৰ বিভিন্ন প্ৰান্তত সংখ্যালঘু সম্প্ৰদায়ৰ বিৰুদ্ধে শেহতীয়াকৈ সংঘটিত হিংসাত্মক ঘটনাসমূহৰ বিষয়েও তেওঁলোকে আলোচনা কৰাৰ লগতে বি. এন. পিক এই বিষয়টো নিৰ্বাচনী ইস্তাহাৰত প্ৰতিশ্ৰুতি হিচাপে অন্তৰ্ভুক্ত কৰিবলৈও আহ্বান জনায়। তাৰিক ৰহমানেও মানুহক সংখ্যাগৰিষ্ঠ আৰু সংখ্যালঘু হিচাপে ভাগ নকৰি কেৱল বাংলাদেশী নাগৰিকৰ পৰিচয়ত গুৰুত্ব দিবলৈ আহ্বান জনায়। দেশখনত ধৰ্ম-সম্প্ৰদায় নিৰ্বিশেষে সকলো নাগৰিকৰ অধিকাৰ সুৰক্ষিত কৰিবলৈ কাৰ্যকৰী গণতান্ত্ৰিক ব্যৱস্থাৰ প্ৰয়োজন বুলিও তেওঁ মন্তব্য কৰে।

বৈঠকত বি. এন. পিৰ সাধাৰণ সম্পাদক মিৰ্জা ফখৰুল, বাংলাদেশ পূজা উদযাপন পৰিষদ আৰু ঢাকেশ্বৰী ৰাষ্ট্ৰীয় মন্দিৰৰ প্ৰতিনিধিকে ধৰি বিভিন্ন সংখ্যালঘু সংগঠনৰ নেতাসকল উপস্থিত আছিল।

০০০০

উত্তৰ কোৰিয়াই আজি সমুদ্ৰ অভিমুখে একাধিক বেলেষ্টিক মিছাইল নিক্ষেপ কৰাৰ পিছত জাপানে জৰুৰীকালীন সতৰ্কবাণী জাৰি কৰিছে। উল্লেখযোগ্য যে, দক্ষিণ কোৰিয়াৰ ৰাষ্ট্ৰপতি উত্তৰ কোৰিয়াৰ পাৰমাণৱিক কাৰ্যসূচী সন্দৰ্ভত আলোচনাৰ বাবে চীনলৈ যোৱাৰ মাত্ৰ কিছু ঘণ্টাৰ পূৰ্বে উত্তৰ কোৰিয়াই মিছাইল নিক্ষেপ কৰে। দক্ষিণ কোৰিয়াৰ যুটীয়া চিফছ অৱ ষ্টাফে এটা বিবৃতিত কয়, যে তেওঁলোকে উত্তৰ কোৰিয়াৰ ৰাজধানী অঞ্চলৰ পৰা কেইবাটাও বেলেষ্টিক মিছাইল উৎক্ষেপণৰ তথ্য লাভ কৰিছে। প্ৰায় ৫৬০ মাইল দূৰত্ব অতিক্ৰম কৰা বেলেষ্টিক মিছাইলৰ বিষয়ে দক্ষিণ কোৰিয়া আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ কৰ্তৃপক্ষই সবিশেষ বিশ্লেষণ কৰি আছে। উত্তৰ কোৰিয়াই যোৱা কেইবা সপ্তাহ জুৰি চলোৱা শেহতীয়া অস্ত্ৰ-শস্ত্ৰৰ প্ৰদৰ্শনৰ অংশ আছিল এই উৎক্ষেপণ। সংবাদ মাধ্যমত প্ৰকাশিত তথ্য অনুসৰি বিগত ৫ বছৰত প্ৰথমবাৰৰ বাবে উত্তৰ কোৰিয়াই দেশখনৰ আগন্তুক শাসক দলৰ সন্মিলনৰ পূৰ্বে প্ৰতিৰক্ষা খণ্ডত লাভ কৰা সাফল্য প্ৰদৰ্শন কৰাৰ লক্ষ্য লৈছে।

০০০০

১৯ বছৰ অনূৰ্ধ ভাৰতীয় ক্ৰিকেট দলে বেননীৰ উইল'মোৰ পাৰ্কত অনুষ্ঠিত তিনিখনীয়া এদিনীয়া শৃংখলাৰ প্ৰথমখন খেলত ঘৰুৱা দল দক্ষিণ আফ্ৰিকাক ডাক ৱৰ্থ লুইছ পদ্ধতিৰ সহায়ত ২৫ ৰানত পৰাস্ত কৰে। খেলখনত ভাৰতে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ৫০ অভাৰত আটাইকেইটা উইকেট হেৰুৱাই ৩০০ ৰান সংগ্ৰহ কৰে। ভাৰতৰ হৈ হৰবংশ পংগালিয়াই ৯৩ আৰু আৰ. এছ. অম্বৰীশে ৬৫ ৰানৰ বৰঙণি আগবঢ়ায়। প্ৰত্যুত্তৰত দক্ষিণ আফ্ৰিকাই ৩০১ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ২৭ অভাৰ আৰু ৪টা বলত ৪টা উইকেটৰ বিনিময়ত ১৪৮ ৰান কৰা অৱস্থাত বৰষুণে খেলখনত বিধি পথালি দিয়ে। ইয়াৰ পাছত যোৱানিশা খেলখন পুনৰ আৰম্ভ কৰিব পৰা নগ'ল আৰু ভাৰতক ডাক ৱৰ্থ লুইছ পদ্ধতিৰে বিজয় ঘোষণা কৰা হয়।

০০০০

সমাপ্ত